স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

OL-14 □ NO-314 □ TUESDAY 21 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/

ল

াথত
পৰি
ছে।
ষ্ঠাত



কানৈ কলেজত অনুষ্ঠান

## জয়ন্ত বৰুৱাক হাছান শ্বৰীফ আহমদ সমন্বয় বঁটা প্ৰদান

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ জানুৱাৰী ঃ 'কানৈ মহাবিদ্যালয়ৰ নৈসৰ্গিক পৰিৱেশে মোক অভিভূত কৰিছে।' ডি এইচ এছ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, নটসূৰ্য ১০ পৃষ্ঠাত



৪৭সংখ্যক মা

## ক্ষমতাৰ
## বাইডেন
## বাতিল

মুদ্ৰাস্ফীতি-সীমান্তৰ নিৰাপত্তাক লৈ দি

২০ জানুৱাৰী ঃ বিশ্বৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ



তিত্য সভাৰ জিলা সমিতিৰ অধিৱেশন

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

L-14 □ NO-314 □ TUESDAY 21 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ/

## জয়ন্ত বৰুৱাক হাছান শ্বৰীফ আহমদ সমন্বয় বঁটা প্ৰদান

বঁটাপ্ৰাপক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু সাধাৰণ সম্পাদক, শিল্পী পেঞ্চনাৰ হাছান শ্বৰীফ আহমদৰ নামত প্ৰদান কৰা 'হাছান শ্বৰীফ আহমদ সমন্বয় বঁটা' গ্ৰহণ কৰি সাদিন, প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ, অসমীয়া প্ৰতিদিন কাকতৰ সম্পাদক জয়ন্ত বৰুৱাই আজি এইদৰে কয়। বৰুৱাই কয় — মহাবিদ্যালয়খনত পোনপ্ৰথম বাৰৰ বাবে উপস্থিত হৈ ইয়াৰ শৈক্ষিক পৰিৱেশ দেখি মই অভিভূত হৈ পৰিছোঁ। মহাবিদ্যালয়খন ইমান সুন্দৰ আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ভূঁয়সী প্ৰশংসা কৰে। মুখ্যদ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰে সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা সভাত বৰুৱাই অসমৰ বৌদ্ধিক শিক্ষাৰ ক্ষেত্ৰখনৰ কথা উল্লেখ কৰি কয়— যেতিয়াই অসমীয়া ভাষাৰ ওপৰত, অসমীয়া সাহিত্য, সংস্কৃতিৰ ওপৰত প্ৰত্যাহ্বান আহিছে, সেই সময়ত এই প্ৰত্যাহ্বান আঁতৰোৱাৰ ক্ষেত্ৰত এই বৌদ্ধিক ক্ষেত্ৰৰ পুৰুধা ব্যক্তিসকলকৰ যি অৱদান সেই অৱদান বৰ্ণনাতীত। লীজা পাঠকে আঁত ধৰা অনুষ্ঠানটিত বৰুৱাই তেওঁৰ আজু ককাক হেমচন্দ্ৰ বৰুৱাৰ জীৱনকৃৰ্তি তথা অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়াই যোৱা অমূল্য অৱদানৰ কথা উল্লেখ কৰি তেওঁক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তীতা আৰু অনুষ্ঠান সুন্দৰকৈ পৰিচালনা কৰাৰ দক্ষতাক ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয়— মই কোন এই প্ৰশ্নৰ উত্তৰ দিয়াতো প্ৰকৃততে বৰ জটিল কথা। সমাজত একো একোজন ব্যক্তিৰ চৰিত্ৰ তিনি ধৰণে প্ৰতিফলিত হয়। সমাজৰ আগত প্ৰকাশ কৰা চৰিত্ৰ, অন্তৰ্নিৰ্হিত চৰিত্ৰ আৰু নিজে ভবা চৰিত্ৰটো সম্পূৰ্ণ বেলেগ হয়। যদিহে এই তিনিওটা চৰিত্ৰৰ মাজৰ ব্যৱধান শূন্য হয়, তেতিয়া সেই ব্যক্তিজন সমাজত মহান ৰূপে পৰিগণিত হয়। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উন্নয়নৰ খতিয়ান লিপিবদ্ধ কৰি ঐতিহাসিকভাৱে প্ৰকাশ কৰা গ্ৰন্থ 'উত্তৰণ' উন্মোচন কৰি উপাচাৰ্যগৰাকীয়ে কয়— সমাজক সঠিক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংবাদগোষ্ঠীসমূহে বেয়াক বেয়া আৰু ভালক ভাল বুলি প্ৰতিষ্ঠা কৰিব পাৰিলেহে পাঠক সমাজে আকোঁৱালি ল'ব আৰু সমাজ সঠিক দিশত গতি কৰিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈ, স্কটলেণ্ড নিৱাসী প্ৰৱাসী অসমীয়া, স্নেহ বন্ধনৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ যুক্তৰাষ্ট্ৰ শাখাৰ উপ-সভাপতি নিৰলা বৰুৱা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰঠাকুৰৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজি প্ৰদান কৰা হাছান শ্বৰীফ আহমদ সমন্বয় বঁটাটিত এটা জাপি, স্মাৰক, কিতাপৰ টোপোলা, সম্বৰ্ধনা পত্ৰৰ লগতে অনুষ্ঠানৰ স্মৃতি বিজৰিত এখন স্থিৰ চিত্ৰ প্ৰদান কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই।

## ডিব্ৰুগড়ত 'লৌহিত্য'-